بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**মহতৰমা ছৈয়দা আমতুল কুদুছ চাহিবা পত্নী চাহাবজাদা মির্জা ওছিম আহমদ চাহাবৰ স্মৃতিচাৰণ মূলক বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৫ চেপ্তেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় এয়া আল্লাহ তা'লাৰ প্ৰকৃতি নিয়ম যে যিজনেই এই ধৰাধামত আগমন কৰিছে তেওঁৰেই কিছু সময় ইয়াতে অতিবাহিত কৰি এই ধৰাধামৰ পৰা এদিন চিৰবিদায় ল'ব লাগিব। কিন্তু ইয়াৰে সৌভাগ্যবান হ'ল সেই সকল লোক যি সকলৰ মনোবাসনা পঙ্কিলতা বৰ্জিত আৰু সজ হয়। ইহজগতত লাভবান ব্যক্তি হ'ল সেই সকল যিসকলে নিজৰ দ্বীনক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দি আদৰ্শ প্ৰতিষ্ঠা কৰে, যিসকলে আল্লাহ আৰু তাৰ ৰছুলৰ আজ্ঞা অনুসৰি আমল কৰাৰ চেষ্টা কৰে; আৰু যিসকলে খিলাফতে আহমদীয়াৰ সৈতে প্ৰকৃত আনুগত্য বজায় ৰাখে, যিসকলে হকুকুল ইবাদ আদায় কৰিবলৈ যতোপৰানাস্তি চেষ্টা কৰে, লগতে যি সকলে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে সদায় চেষ্টা কৰি থাকে আৰু যাৰ মুখেৰে সদায় কৃতজ্ঞতাৰ বাণী নিৰ্গত হয়, এনে লোক সকলৰ ওপৰত আঁহজৰত (ছাঃ)ৰ বাণী অনুযায়ী জান্নাত ওৱাজিব হৈ যায়।

এতিয়া মই তেনেকুৱা এটা ব্যক্তি সম্পৰ্কে কিছু কথা আলোচনা কৰিম। সেইগৰাকী মহতৰমা হ'ল মৰহুমা আমতুল কুদুছ চাহিবা। তাই হজৰত ডক্টৰ মীৰ মহম্মদ ইছমাইল চাহাবৰ কন্যা আছিল আৰু চাহাবজাদা মির্জা ওছিম আহমদ চাহাবৰ পত্নী আছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ পুত্ৰ বধু আছিল। তাই আচলতে কাদিয়ানত বসবাস কৰি আছিল, কিন্তু কিছুদিন ধৰি নিজৰ জীয়েকৰ ওচৰত আহি ৰাবোৱাত থাকিবলৈ লয়। তাতে ৯২ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। আল্লাহ তা'লাৰ কৃপাত মহতৰমা এক নৱম অংশ প্ৰদানৰ মুচিয়া আছিল।

১৯৫১ চনত অনুষ্ঠিত হোৱা বাৰ্ষিক জলছাৰ সময়ত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে চাহাবজাদা মির্জা ওছিম

আহমদ চাহাবৰ সৈতে তাইৰ বিয়া পাতি দিছিল। কন্যা দানৰ সময়ত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে নিজৰ পুত্ৰক এৰি কইনা ঘৰৰ ফালৰ পৰা যোগদান কৰিছিল।

আল্লাহ তা'লাই মৰহুমাক তিনি জীয়েক আৰু এজন পুত্ৰ সন্তান দান কৰিছিল। মৰহুমাৰ এজনী জীয়েক আমতুল আলিম চাহিবা বৰ্তমানে সদৰ লাজনা পাকিস্তান হিচাপে খিদমত আগবঢ়াই আছে। তাই মকৰম মনছুৰ আহমদ খান চাহাব (অকিলে তেহেৰিক জাদিদ)ৰ পত্নী। আন এজনী জীয়েক আমতুল ৰৌফ চাহিবা ডক্টৰ ইব্ৰাহিম মুনিব চাহাবৰ পত্নী। মৰহুমাৰ পুত্ৰৰ নাম হ'ল মিৰ্জা কলিম আহমদ চাহাব। তেওঁ বৰ্তমান আমেৰিকাত বসবাস কৰি আছে।

চাহাবজাদা মিৰ্জা ওছিম আহমদ চাহাবে বিয়াৰ সময়ত পাকিস্তানলৈ আহি বিয়া পাতিছিল। তেখেতৰ বিয়াৰ কিছুদিন পিছতেই নিজৰ পত্নীক কাদিয়ানলৈ লৈ যোৱাৰ বাবে সকলো কাগজ পত্ৰ বনাই আছিল। এনেতে পাকিস্তান আৰু হিন্দুস্থানৰ সম্পৰ্কত অনবন আহি যায় আৰু পৰিস্থিতি বেয়াৰ ফালে ঢাল খায় আৰু ঠাইয়ে ঠাইয়ে সংঘাতৰ সৃষ্টি হয়। তেতিয়া হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে তেখেতক কৈছিল যে তোমাৰ পত্নীৰ অফিচিয়েল কাগজ পত্ৰ বনোৱা হৈ যাব, তুমি সেইবোৰ এৰি দিয়া আৰু অতি সোনকালে কাদিয়ানলৈ ওভতি যোৱা কাৰণ তাতে হজৰত মছীহ মাওউদ (আঃ)ৰ বংশৰ কোনো এজন লোক থকাৰ প্ৰয়োজন হৈ পৰিছে।

নিৰ্দেশ দিছিল যে তুমি অতি সোনকালে জাহাজত ছিট বুক কৰি লোৱা আৰু যদি জাহাজত ছিট নোপোৱা তথাপি তোমাৰ কাদিয়ান যাব লাগিব তাতে জাহাজ চাৰ্টাৰ কৰিব লাগিলেও সেয়াই কৰি লোৱা। কৈছিল যে যদি তুমি নিজৰ আদৰ্শ নেদেখুৱা আৰু কোৰবাণী নকৰা তেন্তে বেলেগে কেনেকৈ কোৰবাণী কৰিব।

যেনেকৈ চাহাবজাদা মিৰ্জা ওছিম আহমদ চাহাবে কোৰবাণী কৰিছিল তেনেকৈ তাৰ লগত মহতৰমা আমতুল কুদুছ চাহিবাও কোৰবাণী দিছিল। তাইৰ জনা নাছিল যে কেতিয়া অফিচিয়েল কাগজ পত্ৰৰ কাম সম্পূৰ্ণ হ'ব। পৰিস্থিতি ভালেখিনি বেয়া হৈ পৰিছিল। এইবোৰ সমস্যা থকা সত্বেও তাই যুগৰ খলিফাৰ নিৰ্দেশ মৰ্মে আনন্দ মনেৰে নিজৰ স্বামীক কাদিয়ানলৈ বিদায় দিছিল। এনেদৰে তাই ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিছিল।

প্ৰায় এবছৰ পিছত মৰহুমাৰ কাদিয়ানলৈ অহাৰ কাগজ পত্ৰ ঠিক হৈছিল। তাই যেতিয়া কাদিয়ানলৈ যাত্ৰা কৰিছিল তাই কৈছিল, মোক হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে উম্মে নাছিৰৰ ঘৰত থাকিবলৈ কৈছে। এই ঘৰখনত হজৰত মছীহ মাওউদ (আঃ)য়ে সদায় অহা যোৱা কৰিছিল আৰু নিৰালিত বহি দৰছ দিয়া কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে তাইক এয়াও নচিহত কৰিছিল যে তাতে গৈ লাজনা সকলক একগোট কৰিব লাগিব। সেই মতেই মৰহুমা কাদিয়ানত আহি কাম কৰিবলৈ লৈছিল।

হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)লণ্ডনত আহি প্ৰথম জুমাৰ খোতবাত ইউৰোপত দুখন ইছলাম প্ৰচাৰ কেন্দ্ৰ নিৰ্মানাৰ্থে মাল কোৰবাণীৰ তেহেৰিক কৰিছিল। তেতিয়া মকৰমা আমতুল কুদুছ চাহিবা লাজনা ইমাউল্লাহ ভাৰতৰ সদৰ আছিল আৰু তাইৰ নেতৃত্বত এক ডাঙৰ অংকৰ ধন লাজনা ইমাউল্লাহ ভাৰতৰ পৰা কোৰবাণী কৰিছিল। তাতে মৰহুমায় নিজৰ সম্পূৰ্ণখিনি গহনা বৰঙিনি হিচাপে আগবঢ়াইছিল।

মকৰমা আমতুল কুদুছ চাহিবা কাদিয়ানত আহি কাদিয়ানৰ লাজনাৰ ছেক্ৰেটাৰী নিৰ্বাচিত হৈছিল আৰু ১৯৫৫ চনত স্থানীয় সদৰ লাজনা ইয়াৰ পিছত সদৰ লাজনা ভাৰত হিচাপে নিৰ্বাচিত হৈছিল। তাই এই পদবীত ৪২ বছৰ কাল খিদমত আগবঢ়াই গৈছে।

আমতুল কুদুছ চাহিবায় জীৱন জুৰি কোৰাণ কৰিমৰ খিদমত কৰিছে আৰু ৬৫০ গৰাকী ছোৱালীক কোৰাণ পঢ়া শিকাই থৈ গৈছে। যিসকল ছোৱালীয়ে এফ আইয়ে কৰিব বিচাৰিছিল, তেওঁলোকে তিনি তিনি মাহৰ বাবে

কাদিয়ানত আহি থাকিছিল আৰু মৰহুমায় সিহঁতক কোৰাণ অনুবাদ শিকাইছিল। মহতৰমায় লাজনা সকলক বৰ পৰিশ্ৰেমেৰে সুসংগঠিত কৰি তুলিছিল। অতিথি পৰায়ণতাত তাইৰ বখানি বলগীয়া গুণ আছিল। মহতৰমাৰ এজনী জীয়েকে কয় যে মোৰ মা, মোৰ দেউতাকক বৰ লগ দিছিল। দৰিদ্ৰতাৰ মাজত দিন কটাইছিল। দুপৰীয়া আমি কেৱল দালি ৰুটি খাইছিলো। দেউতাকে গাখীৰৰ বাবে এটা ম'হ পুহিছিল। আমাৰ ঘৰত অতিথি আহিলে ঘৰত যি থাকিছিল সেয়াই অতিথি সকলক খাবলৈ দিছিল।

তাই এজনী আদৰ্শবান পত্নী আছিল। দৰিদ্ৰতা আৰু কষ্টৰ মাজত দিন কটাইছিল, কেতিয়াও কোনো ধৰণৰ চাহিদা প্ৰকাশ কৰা নাছিল। যি মিলিছিল তাৰেই আনন্দমনেৰে দিন পাৰ কৰিছিল। পৰিষ্কাৰ,পৰিছন্নতা পছন্দ কৰিছিল। মহতৰমা শেষ বয়সত আহি দৃষ্টি শক্তি হেৰাই পেলায়। যেতিয়া তাইৰ অৱস্থা সম্পৰ্কে কোনো প্ৰশ্ন কৰা হৈছিল, তাই সদায় আলহামদুলিল্লাহ বুলি উত্তৰ দিছিল। যেতিয়াই যুগৰ খলিফাৰ ফালৰ পৰা কোনো ধৰণৰ চান্দাৰ তেহেৰিক কৰা হৈছিল, তেতিয়াই কাদিয়ানৰ পৰা প্ৰথমে মিৰ্জা ওছিম আহমদ চাহাব আৰু তেখেতৰ পত্নীৰ ফালৰ পৰা চান্দা আগতে আহিছিল। মহতৰমাৰ জীয়েকে কৈছে যে আমি যেতিয়া কোৰাণ পঢ়িবলৈ লওঁতে কোনো ভুল কৰিছিলোঁ আৰু মাকে বেলেগ কোঠালিৰ পৰা সেয়া শুনিবলৈ পাইছিল তেতিয়া তাৰে পৰাই আমাক শুধৰাই দিছিল। তেতিয়া আমাৰ এনেকুৱা অনুমান হৈছিল যে মাকে গোটেই কোৰাণ যেন মুখস্থ কৰিছে। মানুহৰ দুখ শোকত আনন্দৰ সময়ত সদায় মাকে সিহঁতক লগ দিছিল। কাদিয়ানৰ ছোৱালী বিলাকক চিলাই কাম শিকাইছিল। মৰহুমায় কাদিয়ানত সকলোৰে সৈতে মিলিজুলি থাকিছিল আৰু এটা মৰম চেনেহৰ পৰিৱেশ গঢ়ি তুলিছিল।

মৰহুমায় ভাৰত পাকিস্তান বিভাজনৰ সময়ত ৰতন বাগ লাহোৰ আৰু পিছত ৰাবোৱাৰ কেঁচা ঘৰত হজৰত আম্মাজান (ৰাঃ)ক কোৰাণ কৰিম আৰু মলফুজাত পঢ়ি শুনোৱাৰ তৌফিক লাভ কৰিছিল। তাই নিজৰ অংশৰ সম্পত্তি আৰু অচিয়তৰ চান্দা জীয়াই থাকোতেই প্ৰদান কৰি গৈছে। তাই তেহেৰিকে জাদিদৰ দফতৰত প্ৰথম নম্বৰত স্থান পাইছিল। নিজৰ ল'ৰা-ছোৱালীক প্ৰথমে নামাজ আদায় কৰাৰ শিক্ষা দিছিল। বহুকেইজন ল'ৰা-ছোৱালীক তাই লালন-পালন কৰি গৈছে আৰু বিয়া-বাৰু কৰোৱাই থৈ গৈছে। দৰবেশী জীৱন-যাপনৰ সময়ত আৰ্থিক অৱস্থা বৰ শোচনীয় আছিল, তেতিয়া যদি কোনো দৰৱেশৰ ছোৱালীৰ বিয়া-বাৰু হৈছিল, মহতৰমায় নিজৰ গহনা তাইক পিন্ধিবলৈ দি থৈ আহিছিল আৰু কৈছিল যিমান দিন মন যায় পিন্ধি থাকা পিছত ঘূৰাই দিবা। আকৌ বেলেগ ছোৱালীৰ বিয়া হলে তাইক সেই গহনা পিন্ধিবলৈ দিছিল।

মানুহে নিজৰ ধন-মাল মহতৰমাৰ ওচৰত আমানত ৰাখিছিল আৰু সেইবোৰ মহতৰমায় বৰ সততাৰ সৈতে ৰক্ষণা-বেক্ষণ কৰিছিল। দৰবেশী বিধবা সকলক নিজে গৈ ঈদী প্ৰদান কৰিছিল।

মৰহুমাৰ পুত্ৰই কয় যে বেছিভাগ অতিথিয়ে আহি দাৰুল মছীহত অৱস্থান কৰিছিল আৰু আমাৰ মাকে এঘাৰ/বাৰ বছৰীয়া ল'ৰা-ছোৱালী কেইজনক শিক্ষা দিছিল যে যেনেকৈয়ে নহওঁক কিয় অতিথি সকলৰ কোঠালিত থকা অভাৱ দূৰ কৰিব লাগিব। চৰকাৰী কৰ্মচাৰী সকলৰ পত্নী সকলকও জামাতৰ তবলিগ কৰিছিল। দৰিদ্ৰ সকলৰ প্ৰতি বৰ দয়ালু আছিল।

চাহাবজাদা মিৰ্জা ওছিম আহমদ চাহাবৰ মৃত্যুৰ পিছত মৰহুমায় দহ বছৰ মান কাদিয়ানত আছিল। যেতিয়া শাৰীৰিক অৱস্থা ভাঙি পৰে তেতিয়া তাইৰ জীয়েক চিকিৎসাৰ বাবে তাইক ৰাবোৱালৈ লৈ যায়। তাতে মহতৰমায় কৈছিল যে মই যুগৰ খলিফাৰ অনুমতি বিহনে বেছি দিন কাদিয়ানৰ বাহিৰত নাথাকো। মহতৰমায় এই সম্পৰ্কে যুগৰ খলিফাক লিখি পঠোৱাত যুগৰ খলিফাৰ অনুমতি দিয়ে যে আপুনি যিমান দিন ইচ্ছা হয় তাতে থাকিব পাৰে।

বহুকেইজন অমুছলিম মানুহেও মৰহুমাৰ জানাজাত ভাগ লৈছিল। কাদিয়ানত থকা সকলে তাইক বৰ ভাল

পাইছিল আৰু তাইও কাদিয়ানৰ লোকক বৰ মৰম কৰিছিল। কাদিয়ানৰ মহিলা সকলৰ ফালৰ পৰা বহুত চিঠি আহিছে। তেওঁলোকে স্নেহভৰা হৃদয়ে মৰহুমাৰ বিষয়ে চিঠিত বৰ্ণনা কৰিছে। এনেদৰে কাদিয়ানৰ পুৰণি বাসিন্দা সকলৰ সন্তান সকলে লিখিছে যে মহতৰমায় আমাক নিজৰ সন্তানৰ দৰে মৰম কৰিছে আৰু এজনী মাকৰ দৰে আমাক লালন-পালন কৰিছে।

খিলাফতৰ সৈতে মহতৰমাৰ এক পৱিত্ৰ বন্ধন আছিল তাতে তাইৰ বিনম্ৰতা আৰু আনুগত্যৰ সম্পৰ্ক প্ৰস্ফুটিত হৈছিল। যেনেকৈ তাই হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)ক কৈছিল, সেইদৰেই তাইওৰে জীৱন সম্পৰ্ক বজায় ৰাখিছিল। পিছত মোৰ সৈতেও সেই একেই সম্পৰ্ক প্ৰতিষ্ঠিত ৰাখি দৃষ্টান্ত স্থাপন কৰি গৈছে। মই যেতিয়া ২০০৫ চনত কাদিয়ানলৈ গৈছিলো মোৰ লগত বৰ সন্মানেৰে সৈতে লগ কৰিছিল আৰু সযতনে মোৰ আলপৈচান ধৰিছিল। প্ৰত্যেকবাৰ মই তাইৰ লগত সাক্ষাৎ কৰোঁতে তাইক মই বৰ আনন্দিত হোৱা দেখা পাইছিলো। ২০০৫ চনত মহতৰমায় নিজৰ শৰীৰৰ অৱস্থা ভাল নথকা সত্বেও মোৰ ওভতি অহা যাত্ৰাত তাই দিল্লী লৈকে আগুৱাই থবলৈ আহিছিল। আল্লাহ তা'লা মৰহুমাৰ পৰমত্মাৰ মৰ্যাদা উন্নীত কৰক; আৰু তাইৰ সন্তান-সন্ততি সকলক তেখেতৰ নেকি জাৰি ৰখাৰ তৌফিক দান কৰক। আমীন-

কাদিয়ানৰ লোক সকলক মহতৰমায় যেনেকৈ মায়াৰ বান্ধোনত বান্ধি ৰাখিছিল আল্লাহ তা'লা তেওঁলোকক তেনেকৈয়ে প্ৰেম-প্ৰীতিৰ মাজেৰে থকাৰ তৌফিক দান কৰক। বৰ্তমানে কাদিয়ানত হজৰত মছীহ মাওউদ (আঃ)ৰ বংশধৰৰ ফালৰ পৰা কোনেও নাই। আল্লাহ তা'লা কৰক তাতে যেন এনেকুৱা পৰিৱেশ থাকে যে সকলোৱে তালৈ যাব পাৰে। আল্লাহ তা'লা মৰহুমাৰ মৰ্যাদা উন্নীত কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম মহম্মদ এৰশাদ আহমদ চাহাব (ইউ.কে)ৰ উপস্থিত জানাজা আৰু মকৰম আহমদ জামাল চাহাব (আফ্ৰিকান,আমেৰিকান)ৰ জানাজা গায়েব পঢ়োৱাৰ ঘোষণা কৰে আৰু মৰহুমিন সকলৰ চমু পৰিচয় আগবঢ়ায় আৰু উচ্চ মৰ্যাদা প্ৰাপ্তিৰ বাবে দোৱা কৰে। আল্লাহ তা'লা সকলোৰে প্ৰতি দয়া আৰু ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844